নামাজ আদায় কৰিবা আৰু তোমালোকৰ অধিকাৰভুক্ত দাস-দাসীৰ সৈতে সদ্ব্যৱহাৰ কৰিবা।

আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামৰ মৃত্যুৰ সময়ত তেখেতৰ সাধাৰণ অচিয়ত আছিল এই যে, "নামাজ আদায় কৰিবা
আৰু তোমালোকৰ অধিকাৰভুক্ত দাস-দাসীৰ সৈতে সদ্ব্যৱহাৰ কৰিবা। নামাজ আদায় কৰিবা
আৰু তোমালোকৰ অধিকাৰভুক্ত দাস-দাসীৰ সৈতে সদ্ব্যৱহাৰ কৰিবা।" অৱশেষত তেখেতৰ শ্বাসকষ্ট আৰম্ভ হৈছিল, আৰু বাৰে বাৰে এই কথা কৈ আছিল, এটা সময়ত তেখেতৰ জিভা গোট খাই যোৱাৰ উপক্ৰম হৈছিল।"
[رواه النسائي في السنن الكبرى وابن ماجه] [ছহীহ[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ মৃত্যুৰ সময়ত উম্মতৰ বাবে দিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ অচিয়তটো হৈছে, তোমালোকে নামাজক মজবুতভাৱে ধাৰণ কৰা, নিয়মিত নামাজ আদায় কৰা, নামাজৰ পৰা কেতিয়াও অৱহেলা নকৰিবা। লগতে তেখেতে এই উপদেশ দিছে যে, যিসকল দাস-দাসী আৰু কৰ্মচাৰী তোমালোকৰ অধীনত আছে, সিহঁতক সিহঁতৰ অধিকাৰ প্ৰদান কৰিবা, আৰু সিহঁতৰ সৈতে সদ্ব্যৱহাৰ কৰিবা। তেখেতে এইবোৰ কথা বাৰে বাৰে কৈ আছিল, অৱশেষত তেখেতৰ প্ৰাণ কণ্ঠাগত হৈছিল আৰু শ্বাসকষ্ট আৰম্ভ হৈছিল আৰু জিভাৰে ভালকৈ উচ্চাৰণ কৰিব পৰা নাছিল।

https://sunnah.global/hadeeth/as/show/66359